# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জাপানৰ ওছাকাত অহা ৩১ আগষ্টৰ পৰা ৬ ছেপ্তেম্বৰলৈ হবলগীয়া ৱৰ্ল্ড এক্সপোত অসমে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ  কৰে। উদ্যোগ, পৰ্যটন আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত  অসমে ভাৰত পেভিলিয়নত প্ৰতিদিনে ৪ ঘণ্টীয়া কাৰ্যসূচীৰে বাণিজ্য, সংস্কৃতি আৰু পৰ্যটনৰ ক্ষেত্ৰত ইয়াৰ সম্ভাৱনাসমূহ প্ৰদৰ্শন কৰিব। এই ৱৰ্ল্ড এক্সপোত অংশ লোৱাৰ বাবে প্ৰদৰ্শনী, সাংস্কৃতিক অনুষ্ঠান, আৰু প্ৰচাৰমূলক বিষয়সমূহ চূড়ান্তকৰণৰ প্ৰস্তুতি চলি আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০

অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণৰ সময়ছোৱাত সকলো ব্যৱস্থা নিয়াৰিকৈ সম্পন্ন হোৱাটো নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আজি মুখ্য সচিব ড০ ৰবি কোটাই আৰক্ষী আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। মুখ্য সচিবগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ সৈতে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক লৈ আলোচনা কৰে। তেওঁ সকলো বিভাগক নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

বিভিন্ন ব্যতিক্ৰমী বিষয় লৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজিত গ্ৰীষ্মকালীন শিবিৰ সমূহে শিশুসকলৰ সৰ্বাঙ্গীন বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সমৰ্থ হৈছে। **‘গ্ৰীষ্মকালীন শিবিৰ’** সম্পৰ্কত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই বিষয়ে প্ৰকাশ কৰে। বিশিষ্ট প্ৰকাশক ধীৰাজ গোস্বামীয়ে সঁফুৰা আলোচনীৰ উদ্যোগত ২০০4 চনতে শিশুসকলৰ উপযোগীকৈ গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰাৰ বিষয়ে উল্লেখ কৰে। গ্ৰীষ্ম বন্ধৰ সময়ছোৱা বিদ্যায়তনিক ছাঁপৰ পৰা কিছু দূৰৈত ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ সময়ছোৱা মুকলি আৰু আনন্দময় কৰি তোলাৰ এয়া এক সুন্দৰ প্ৰচেষ্টা বুলি তেওঁ উল্লেখ কৰে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই পৰিষদৰ উদ্যোগত এইবাৰ গুৱাহাটীত প্ৰথমবাৰৰ বাবে আয়োজিত গ্ৰীষ্মকালীন শিশু মহোৎসৱৰ বিষয়ে উল্লেখ কৰে। এঘাৰ দিনীয়া এই মহোৎসৱত গীত, নাট, যোগাভ্যাস, মুকাভিনয়, নৃত্যকে ধৰি বিভিন্ন বিষয় সামৰি লোৱাৰ লগতে অভিভাৱকসকলকো নিজৰ প্ৰতিভা বিকাশৰ সুযোগ দিয়া হৈছিল বুলি তেওঁ কয়। এই অনুষ্ঠানত বিশিষ্ট অভিনেতা অসীম কৃষ্ণ বৰুৱাই গৰমৰ বন্ধৰ এই সময়ছোৱা শিশুসকলৰ বাবে সৃজনীশীল আৰু কলাত্মক কৰি তোলাৰ ক্ষেত্ৰত গ্ৰীষ্মকালীন কৰ্মশালাই ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰে। এই অনুষ্ঠানত আমাৰ কেইবাখনো জিলাৰ সংবাদদাতা সকলে অংশ লৈ জিলাসমূহত ব্যতিক্ৰমীভাৱে আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ বিষয়ে উল্লেখ কৰে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ খাৰুৱাবন্ধা আৰক্ষীয়ে আজি অভিযান চলাই বাংলাদেশী নাগৰিকক সৰবৰাহ্ কৰা কাৰ্যত জড়িত দুজন লোকক গ্ৰেপ্তাৰ কৰে। মানকাচৰ থানা এলেকাৰ অধীনৰ নান্দিয়া গাঁৱৰ নুৰুল ইছ্লাম আৰু বৰবিলাৰ খাইৰুল ইছ্লাম নামৰ লোক দুজনে মানকাচৰলৈ বাংলাদেশৰ পৰা অবৈধ নাগৰিকক সৰবৰাহ কৰোৱাইছিল বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে। ধৃত লোক দুজনক আজি বিয়লি আদালতত হাজিৰ কৰোৱাৰ পাছত আৰক্ষীয়ে দুদিনৰ  বাবে জিম্মাত লৈছে। লোক দুজনৰ পৰা বাংলাদেশী টাকা আৰু চীম কাৰ্ড জব্দ কৰা হৈছে  বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে ধোদৰ আলি মেৰামতিৰ কাম-কাজৰ পৰ্যালোচনা কৰে আৰু লোক নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰসকলক ডেৰ মাহৰ ভিতৰত মেৰামতিৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। কাম-কাজৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে আহোম স্বৰ্গদেউ গদাধৰ সিংহই ১৬৮৭ চনত নিৰ্মাণ কৰা এই ঐতিহাসিক সম্পদ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে সমূহীয়া দায়িত্ব। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে আহোম যুগৰ গৌৰৱময় নিদৰ্শনৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰে।

০০০০

কোকৰাঝাৰ জিলাৰ গোসাইগাওঁ সংমণ্ডলৰ গুৰুফেলাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি হোৱা এটা পথ দুৰ্ঘটনাত ভূটানৰ কমেও ১০ জন নাগৰিক আহত হয়। চিৰাঙৰ ফালৰ পৰা  গোসাইগাওঁ অভিমুখী ভূটানৰ যাত্ৰীবাহী বাছ্ এখনে চিমেণ্ট কঢ়িয়াই অনা এখন মিনি ট্ৰাকত খুন্দা মৰাৰ বাবে এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত যাত্ৰীসকলক ততাতৈয়াকৈ ওচৰৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। যাত্ৰীসকল বিপদমুক্ত বুলি কোৱা হৈছে।

০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ কুৰুৱাবাহী মধুপুৰ গাঁৱত আজি  বিয়লি দুটা পৃথক ঘটনাত এটি কিশোৰ আৰু এটি শিশুৰ সলিল সমাধি ঘটে। পুখুৰীৰ পানীত পৰা শিশু আৰু কিশোৰ দুটিক সংকটজনক অৱস্থাত বোকাখাট অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও চিকিৎসকে তেওঁলোকক মৃত ঘোষণা কৰে।

০০০০

কোকৰাঝাৰত কাইলৈৰ পৰা ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হ'ব। কোকৰাঝাৰত কালি বিয়লি ৪ বজাত হ'বলগীয়া প্ৰথমখন খেলত অসমৰ মৰ্নিং ষ্টাৰ এফ চি, আই টি বি পি ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাৰ্বি আংলঙৰ মৰ্নিং ষ্টাৰ এফ চিয়ে অসমৰ দ্বিতীয়টো দলৰূপে এই ঐতিহাসিক ফুটবল প্ৰতিযোগিতাত অভিষেক কৰাৰ গৌৰৱ লাভ কৰিছে। বড়োলেণ্ড এফ চিয়ে ইয়াৰ পূৰ্বে ৰাজ্যৰ প্ৰথম ক্লাব হিচাপে ডুৰাণ্ড কাপত ভাগ লৈছে। ইপিনে মেঘালয়ৰ শ্বিলঙত আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত শ্বিলং লাজং এফ চিয়ে মালয়েছিয়াৰ আৰ্মি ফুটবল দলক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ